2016

# ASSAMESE

## ASM : 2.05(B)

## ASSAMESE LYRICAL LITERATURE

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঃ ১ × ১০ = ১০

(ক) 'In Memosriam' নামৰ বিখ্যাত শোকগীতটিৰ ৰচক কোন?

(খ) প্ৰশস্তি গীত (ode) ৰচনাৰ বাবে বিশেষভাৱে পৰিচিত ইংৰাজ ৰোমাণ্টিক কবিজনৰ নাম লিখা।

(গ) 'নিচুকনি গীত' সমূহ কোন শ্ৰেণীৰ লোকগীতৰ নিদৰ্শন?

(ঘ) অসমীয়া আধুনিক গানৰ প্ৰণালীবদ্ধ চৰ্চাৰ বাটকটীয়া বুলি কোনগৰাকী ব্যক্তিক কোৱা হয়?

(ঙ) 'গছে গছে পাতি দিলে ফুলৰে শৰাই' শীৰ্ষক গীতটো জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন নাটৰ অন্তৰ্গত?

(চ) 'মোৰ মিনতি তৰা হয় যদি' শীৰ্ষক গীতটোৰ গীতিকাৰজনৰ নাম লিখা।

(ছ) পাৰ্বতী প্ৰসাদ বৰুৱা ৰচিত এখন গীতি নাটিকাৰ নাম লিখা।

(জ) আকাশবাণী গুৱাহাটী কেন্দ্ৰ কিমান চনত স্থাপিত হয়?

(ঝ) অসমত প্ৰথম ৰাজহুৱা বিহু ক'ত উদ্‌যাপন কৰা হৈছিল?

(ঞ) 'জিলিকাব লুইতৰে পাৰ' কোনগৰাকী গীতিকাৰ গীতৰ পুথি?

২। চমুকৈ উত্তৰ দিয়া ঃ ২ × ৫ = ১০

(ক) শেক্সপীয়েৰৰ চনেটৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

(খ) অনুষ্ঠানমূলক লোকগীত কি? এটি উদাহৰণ দিয়া।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ গীত সমূহ কিহৰ সুৰেৰে সমপৰীক্ষা কৰিছিল?

(ঘ) পাৰ্বতী প্ৰসাদ বৰুৱাৰ দুখন গীতৰ পুথিৰ নাম লিখা।

(ঙ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ বিষয়বস্তু কি আছিল?

৩। চমুটোকা লিখা ঃ ৫ × ২ = ১০

(ক) বৈষ্ণৱ যুগৰ ভাৰতীয় গীতি কাব্য

(খ) বৰগীত

(গ) নিৰ্মল প্ৰভা বৰদলৈৰ গীতত প্ৰকৃতি

(ঘ) তফজ্জুল আলিৰ গীতৰ ভাষা

৪। 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত থলুৱা সংগীতৰ উপাদান শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰা। ৭

অথবা

বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ বিষয়-বৈচিত্ৰ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। ভূপেন হাজৰিকাৰ গীতত সামাজিক সম্প্ৰীতিৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ৭

অথবা

কেশৱ মহন্তৰ গীতত আশাবাদ আৰু প্ৰতীতিৰ প্ৰকাশ কেনেদৰে ঘটিছে, এটি প্ৰৱন্ধ যুগুত কৰা। ৭

*পিপিঠিত*



যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। গীতি কবিতা কি? কোনবোৰ বৈশিষ্ট্যই গীতি কবিতাক কবিতাৰ অন্যান্য ভাগসমূহৰ পৰা পৃথক কৰিছে, তাৰ উল্লেখসহ গীতি কবিতাৰ বিৱৰ্তন সম্পৰ্কত এক সমীক্ষাত্মক আলোচনা যুগুত কৰা। ১২

৭। গোৱালপৰীয়া লোকগীতত নাৰী জীৱনৰ কাৰুণ্য কেনেদৰে প্ৰকাশিত হৈছে, ফঁহিয়াই দেখুওৱা। ১২

৮। পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতত মৃত্যু চেতনা কিদৰে মূৰ্ত হৈ উঠিছে তাৰ এটি বিশ্লেষণাত্মক ব্যাখ্যা দাঙি ধৰা। ১২

৯। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত নাৰী হৃদয়ৰ বিভিন্ন অনুভূতিৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰা। ১২

১০। পুৰুষোত্তম দাসৰ গীতৰ ভাষা আৰু শব্দচয়ন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১২

—— × ——